**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-05-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## *HEADLINES*

১। দেশত বৰ্তমানলৈকে ইবোলা ভাইৰাছৰ দ্বাৰা কোনো লোক সংক্ৰমিত হোৱাৰ ঘটনা পোহৰলৈ অনা নাই বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে।

২। বিধানসভাত বহু চৰ্চিত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়ক সন্দৰ্ভত আলোচনা চলি আছে।

৩। চি বি আয়ে চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ পৰীক্ষা নীট ইউ জিৰ প্ৰশ্নকাকত ফাদিল গোচৰত আৰু দুজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে।

৪। ইজৰাইলৰ সেনা বাহিনীয়ে হামাছৰ সামৰিক শাখাৰ নতুন মুৰববী আৰু ২০২৩ চনৰ ৭ অক্টোবৰৰ আক্ৰমণৰ মূল ষড়যন্ত্ৰকাৰী মহম্মদ অ'দেহক হত্যা কৰা হৈছে বুলি দাবী কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মহালিত হ'বলগীয়া প্ৰথমখন এলিমিনেটৰ খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooo

দেশত বৰ্তমানলৈকে ইবোলা ভাইৰাছৰ দ্বাৰা কোনো লোক সংক্ৰমিত হোৱাৰ ঘটনা পোহৰলৈ অনা নাই বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে কয় যে আফ্ৰিকাৰ বিভিন্ন অংশত ইবোলা ভাইৰাছৰ সংক্ৰমণৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতি মন্ত্ৰালয়ে সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে। সূত্ৰৰ পৰা জানিব পৰা মতে অলপতে উগাণ্ডাৰ পৰা অহা এগৰাকী ব্যক্তি গাৰ বিষত আক্ৰান্ত হোৱাৰ পাছত নিৰীক্ষণ আৰু চিকিৎসা মূল্যায়নৰ বাবে বাংগালুৰুস্থিত মহামাৰীৰ বিশেষ চিকিৎসালয়ত আচুতীয়াকৈ ৰখা হৈছে। ব্যক্তিগৰাকীৰ তেজৰ নমুনা সংগ্ৰহ কৰা হৈছে আৰু পৰীক্ষাৰ বাবে ৰাষ্ট্ৰীয় বিষাণু বিজ্ঞান প্ৰতিষ্ঠানলৈ প্ৰেৰণ কৰা হৈছিল। পৰীক্ষাত ব্যক্তিজনৰ শৰীৰত ইবোলা ভাইৰাছৰ উপস্থিতি ধৰা পৰা নাই।

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে সংশ্লিষ্ট ৰাজ্যিক কৰ্তৃপক্ষসমূহৰ সহযোগত পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে আৰু বিশ্ব স্বাস্থ্য সংস্থাৰ নিৰ্দেশনা অনুযায়ী জনস্বাস্থ্য বিষয়ক আৱশ্যকীয় নিয়মসমূহ ৰূপায়ণ কৰিছে। জনসাধাৰণক ভীতিগ্ৰস্ত নহবলৈ আৰু অপপ্ৰচাৰ চলোৱাৰ পৰা বিৰত থাকিবলৈ কোৱা হৈছে। জনসাধাৰণক লগতে কেৱল চৰকাৰী সূত্ৰৰ তথ্যহে বিশ্বাস কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

ooooooo

বিধানসভাত বহু চৰ্চিত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়ক সন্দৰ্ভত আলোচনা চলি আছে। আলোচনাত অংশ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে উমৈহতীয়া দেৱানী বিধিৰ এটা সুদীৰ্ঘ ইতিহাস আছে। ভাৰতত ২০২৫ চনৰ পৰাই এই বিধি সন্দৰ্ভত কাম-কাজ অব্যাহত আছে। উমৈহতীয়া দেৱানী বিধিৰ জৰিয়তে সংখ্যালঘুৰ তোষণ বন্ধ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে দৃঢ়তা প্ৰকাশ কৰে। তেওঁ কংগ্ৰেছ দলে বিশেষ ধৰ্মীয়

গোষ্ঠীক প্ৰতিনিধিত্ব কৰে বুলি অভিযোগ তোলে। ড০ শৰ্মাই জনপ্ৰতিনিধিসকলক ধৰ্ম নিৰপক্ষতাৰ প্ৰতিনিধিত্ব কৰিবলৈ আহ্বান জনায়।

(বাইট)

শাসকীয় বিজেপি দলৰ বিধায়ক পীযুষ হাজৰিকাই বতৰ্কত ভাগ লৈ ৰাষ্ট্ৰীয় সংহতি আৰু সমতাৰ বাবে বিধেয়কখন জৰুৰী বুলি মন্তব্য কৰে। একেদৰে শাসক পক্ষৰ হৈ বিশ্বজিৎ দৈমাৰীয়ে বিধেয়কখনৰ সপক্ষে যুক্তি দাঙি ধৰে।

বিধানসভাত বিৰোধী দলপতি ৰাজেদ আলি চৌধুৰীয়ে আলোচনাত ভাগ লৈ অসমত উমৈহতীয়া দেৱানী বিধিৰ প্ৰয়োজন নাই বুলি মন্তব্য কৰে।

ooooooooo

সমগ্ৰ ৰাষ্ট্ৰই আজি প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ মৃত্যু বাৰ্ষিকী পালন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভূতপূৰ্ব প্ৰধানন্ত্ৰী জৱাহৰলাল নেহৰুৰ মৃত্যু বাৰ্ষিকী উপলক্ষে দেশৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাইও মৃত্যু বাৰ্ষিকী উপলক্ষে পণ্ডিত জৱাহৰলাল নেহৰুক শ্ৰদ্ধাৰে সুঁৱৰিছে।

oooooooo

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চিবিআয়ে চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ পৰীক্ষা নীট ইউ জিৰ প্ৰশ্নকাকত ফাদিল গোচৰত আৰু দুজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। তদন্তকাৰী সংস্থাটোৱে এই সংক্ৰান্তত এতিয়ালৈকে দিল্লী, জয়পুৰ, গুৰুগ্ৰাম, নাছিক, পুণে, লাটুৰ আৰু অহল্যানগৰৰ পৰা ১৩জন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। সংস্থাটোৱে প্ৰকাশ কৰা মতে, ঘটনা সংক্ৰান্তত আজি গ্ৰেপ্তাৰ কৰা লাটুৰৰ চিকিৎসক ডাঃ মনোজ ছিৰুৰেই অভিযুক্ত পি ভি কুলকাৰ্ণিৰ পৰা ৰসায়ন বিজ্ঞানৰ প্ৰশ্নকাকত লাভ কৰাত এটা প্ৰশিক্ষণ কেন্দ্ৰৰ স্বত্বাধিকাৰৰ পুত্ৰসহ তিনিজন শিক্ষাৰ্থীক সহায় কৰিছিল। একেদৰে অন্যজন অভিযুক্ত ডাঃ অভং প্ৰভু মেডিকেল একাডেমীৰ পদাৰ্থ বিজ্ঞানৰ অধ্যাপক তেজছ্ হৰ্ষদ কুমাৰ শ্বাহে ইতিপূৰ্বে গ্ৰেপ্তাৰ কৰা মনীষ হাৱালদাৰৰ পৰা নীট ইউ জিৰ প্ৰশ্নকাকত ফাদিল কৰিছিল। চি বি আয়ে ঘটনা সংক্ৰান্তত বৰ্তমানলৈকে দেশৰ বিভিন্ন প্ৰান্তৰ ৪৯টা স্থানত তালাচী চলাইছে আৰু ভালেমান আপত্তিজনক নথিপত্ৰ, লেপটপ আৰু মোবাইল ফোন জব্দ কৰিছে। উল্লেখযোগ্য যে প্ৰশ্নকাকত ফাদিল হোৱাৰ অভিযোগত যোৱা ৩ মে'ত অনুষ্ঠিত নীট ইউ জি পৰীক্ষা বাতিল কৰিবলগীয়া হৈছিল।

oooooooo

ইজৰাইলৰ সেনা বাহিনীয়ে হামাছৰ সামৰিক শাখাৰ নতুন মুৰব্বী আৰু ২০২৩ চনৰ ৭ অক্টোবৰৰ আক্ৰমণৰ মূল ষড়যন্ত্ৰকাৰী মহম্মদ অ'দেহক হত্যা কৰা হৈছে বুলি জানিবলৈ দিছে। ইজৰাইলৰ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ সৈতে দিয়া এটা যুটীয়া বিবৃতিত সেনা বাহিনীয়ে কৈছে যে দেশখনৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহু আৰু প্ৰতিৰক্ষা মন্ত্ৰী ইজাৰেল কাটজৰ নিৰ্দেশ মৰ্মে এই অভিযান চলোৱা হৈছিল। প্ৰতিৰক্ষা মন্ত্ৰী ইজাৰেলে ২০২৩ বৰ্ষৰ আক্ৰমণৰ সময়ত ইজৰাইলৰ বহু অসামৰিক লোক আৰু সেনা বাহিনীৰ লোকৰ হত্যা, অপহৰণৰ ঘটনাত অ'দেহ জড়িত আছিল বুলি উল্লেখ কৰিছে। ইজৰাইলৰ আক্ৰমণত হামাছৰ মুৰব্বী ইজেদিন অল-হাদাদ নিহত হোৱাৰ পাছতে মহম্মদ অ'দেহক শাখাটোৰ নতুন মুৰব্বী হিচাপে নিয়োগ কৰা হৈছিল। ইজৰাইলৰ প্ৰধানমন্ত্ৰী নেতান্যাহুৱে সামাজিক মাধ্যমত এই আক্ৰমণৰ কথা স্পষ্ট কৰি কয় যে ৭ অক্টোবৰৰ আক্ৰমণত জড়িতসকলক নিঃশেষ নকৰালৈকে দেশ শান্ত নহয়। ইপিনে ইজৰাইলে দক্ষিণ

লেবাননৰ তীৰ আৰু মাৰ্জায়োন অঞ্চলক লক্ষ্য কৰি আকাশমাৰ্গেৰে ব্যাপক আক্ৰমণ অব্যাহত ৰাখিছে। সংবাদ মাধ্যমত প্ৰকাশ পোৱা অনুসৰি এই আক্ৰমণত কালি ৩১ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৪০ জন আহত হৈছে। উল্লেখযোগ্য যে দেশখনৰ প্ৰধানমন্ত্ৰী নেতান্যাহুৱে হিজবুল্লাহ উগ্ৰপন্থী গোটৰ বিৰুদ্ধে সেনাক অভিযান তীব্ৰতৰ কৰি তোলাৰ নিৰ্দেশ দিয়াৰ পাছতে এই আক্ৰমণ চলোৱা হয়। জানিব পৰা মতে ইজৰাইলৰ সুৰক্ষা বাহিনীয়ে শেহতীয়া কিছু দিনত ৬০০তকৈও হিজবুল্লাহ উগ্ৰপন্থী সদস্যক হত্যা কৰিছে।

ooooooooo

দক্ষিণ লেবাননত ইজৰাইলে চলোৱা আক্ৰমণত কমেও ৩১ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৪০ জন আহত হৈছে। লেবাননত ৰাজহুৱা স্বাস্থ্য মন্ত্ৰালয়ে জনোৱা মতে ইজৰাইল আৰু হিজবুল্লাহৰ মাজত সীমান্তত সংঘাত চলি থকাৰ মাজতে ইজৰাইলে কালি কেইবাখনো গাওঁ আৰু নগৰক লক্ষ্য কৰি আকাশমাৰ্গেৰে আক্ৰমণ চলায়। মন্ত্ৰালয়ে জনোৱা মতে তীৰৰ দক্ষিণ নগৰৰ সমীপৱৰ্তী বুৰ্জ অল শ্বেমালিত এই আক্ৰমণত ১৪ জন লোকে প্ৰাণ হেৰুৱায়। কৌথাৰিয়া অল শ্বিয়াদত ৫ জন, হাবৌশত ৪ জন আৰু মাৰকাহত ৬ জন লোকৰ মৃত্যু হয়। উল্লেখযোগ্য যে ইজৰাইলৰ সেনা বাহিনীয়ে এই সন্দৰ্ভত কোনো আনুষ্ঠানিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। অৱশ্যে ইজৰাইলে এই আক্ৰমণ হিজাবুল্লাহ উগ্ৰপন্থী গোটৰ সদস্য আৰু গোটটোৰ আন্তঃগাঁথনিক লক্ষ্য কৰি চলোৱা হৈছে এই কথাটো স্পষ্ট কৰি থৈছে। ইপিনে হিজাবুল্লাহে উত্তৰ ইজৰাইলত আক্ৰমণ অব্যাহত ৰাখিছে।

oooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মোহালিৰ নিউ চণ্ডীগড়ত হবলগীয়া 'এলিমিনেটৰ' খেলখনত ছানৰাইজাৰ্ছ হায়দৰাবাদ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আজিৰ খেলখনত জয়লাভ কৰা দলটোৱে ফাইনেলত প্ৰৱেশৰ বাবে দ্বিতীয়খন কোৱালিফায়াৰত গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে যোৱানিশা ধৰমশালাত অনুষ্ঠিত প্ৰথমখন কোৱালিফায়াৰত যোৱাবাৰৰ চেম্পিয়ন  গুজৰাট টাইটানছক ৯২ ৰানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

বাংগালুৰুৱে নিৰ্ধাৰণ দিয়া ২৫৫ ৰানৰ বিশাল লক্ষ্যৰ অনুসৰণ কৰি গুজৰাট টাইটানছে ৩ টা বল বাকী থকা অৱস্থাত আটাইকেইটা উইকেট হেৰুৱাই ১৬২ ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ ৰাহুল তেৱাটিয়াই সৰ্বাধিক ৬৮ ৰান কৰে। বেংগালুৰুৰ হৈ জেকব ডাফীয়ে সৰ্বাধিক ৩ টা উইকেট লাভ কৰে।

ইয়াৰ পূৰ্বে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ২৫৪ ৰান কৰে। দলটোৰ হৈ ৰজত পাটিদাৰে মাত্ৰ ৩৩ টা বলত ৯৩ ৰান কৰি আউট নোহোৱাকৈ ৰয়। বিৰাট কোহলী আৰু ক্ৰুণাল পাণ্ডিয়াই ৪৩ ৰানকৈ অৰিহণা যোগায়। গুজৰাটৰ হৈ কাগিছ' ৰাবাডা আৰু জেছন হ'ল্ডাৰে দুটাকৈ উইকেট লাভ কৰে। ৰজত পাটিদাৰক 'প্লেয়াৰ অৱ দ্য মেচ' নিৰ্বাচিত কৰা হয়।

oooooooo

অলিম্পিকত দুবাৰ পদক বিজয়ী পি ভি সিন্ধু ছিংগাপুৰ অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত  প্ৰৱেশ কৰিছে। সিন্ধুৱে কালি প্ৰতিযোগিতাৰ এখন খেলত ইন্দোনেছিয়াৰ পুত্ৰীকুচুমা বাৰ্দানীক ২১-১৭, ২১-১৮ গেমত পৰাস্ত কৰি প্ৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। একেদৰে ভাৰতৰ সত্বিকসাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ ছেট্টীৰ যুটীটোৱেও পুৰুষৰ ডাবলছত প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০০

সমাপ্ত